# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 15-03-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

::::::::::::::::::::::::::::::

১। নিৰ্বাচন আয়োগে কাইলৈ লোকসভা নিৰ্বাচনৰ সূচী ঘোষণা কৰিব।

২। বিদেশ মন্ত্ৰালয়ে কৈছে যে নাগৰিকত্ব সংশোধনী আইন, ২০১৯ ভাৰতৰ অভ্যন্তৰীণ বিষয় আৰু সামগ্ৰিক পৰম্পৰা তথা মানৱ অধিকাৰৰ প্ৰতি দীৰ্ঘকালীন প্ৰতিশ্ৰুতিবদ্ধতা অনুসৰি এই আইনখন যুগুত কৰা হৈছে।

৩। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কেৰালাৰ পথানামথিট্টা জিলাত লোকসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযান কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

৪। ভাৰতৰ লক্ষ্য সেনে আজি নিশা অল ইংলেণ্ড অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত মালয়েছিয়াৰ লি-জি-জিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

*আৰু*

৫। ৰয়েল চেলেঞ্জাৰ্ছ বাংগালোৰ কিছু সময়ৰ পাছত দিল্লীত হ'বলগীয়া মহিলাৰ প্ৰীমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ এলিমিনেটৰ খেলত মুম্বাই ইণ্ডিয়ানছৰ সন্মুখীন হ'ব।

০০০০০০০

নিৰ্বাচন আয়োগে কাইলৈ লোকসভা নিৰ্বাচনৰ সূচী ঘোষণা কৰিব। নতুন দিল্লীৰ বিজ্ঞান ভৱনত কাইলৈ বিয়লি এই ঘোষণা কৰা হ'ব। আয়োগে লোকসভা নিৰ্বাচনৰ সমান্তৰালভাৱে কেইখনমান ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ সূচীও প্ৰকাশ কৰিব। ১৬ জুনত বৰ্তমান লোকসভাৰ কাৰ্যকালৰ অন্ত পৰিব। ২০১৯ চনত এপ্ৰিলৰ পৰা মে'ৰ ভিতৰত মুঠ ৭ টা পৰ্যায়ত লোকসভা নিৰ্বাচন অনুষ্ঠিত হৈছিল। এইবাৰো এপ্ৰিলৰ পৰা মে'ৰ ভিতৰত কেইবাটাও পৰ্যায়ত লোকসভা নিৰ্বাচন সম্পন্ন হোৱাৰ সম্ভাৱনা আছে।

যোৱাবাৰৰ লোকসভা নিৰ্বাচনত বিজেপিয়ে দেশৰ ৫৪৩ খন সংসদীয় আসনৰ ভিতৰত ৩০৩ খন আসন হস্তগত কৰি বিপুল বিজয় সাব্যস্ত কৰিছিল। এইবেলি বিজেপিয়ে ৩৭০ খন আসনত জয়লাভ কৰাৰ লক্ষ্য স্থিৰ কৰিছে। বৰ্তমানলৈকে দলটোৱে আসন্ন লোকসভা নিৰ্বাচনৰ বাবে ২৬৭ গৰাকী প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে। আনহাতে, প্ৰধান বিৰোধী দল কংগ্ৰেছে এতিয়ালৈকে ৮২ গৰাকী প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে। বাওঁ দল, তৃণমূল কংগ্ৰেছ, আম আদমি পাৰ্টী আৰু আন কিছুমান দলেও কেইবাখনো লোকসভা আসনৰ বাবে দলীয় প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে।

০০০০০০০

বিদেশ মন্ত্ৰালয়ে কৈছে যে নাগৰিকত্ব সংশোধনী আইন, ২০১৯ ভাৰতৰ অভ্যন্তৰীণ বিষয় আৰু সামগ্ৰিক পৰম্পৰা তথা মানৱ অধিকাৰৰ প্ৰতি দীৰ্ঘকালীন প্ৰতিশ্ৰুতিবদ্ধতা অনুসৰি এই আইনখন যুগুত কৰা হৈছে। নতুন দিল্লীত আজি সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত বিদেশ মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰনধীৰ জয়ছোৱালে কয় যে আইনখনে ২০১৪ চনৰ ৩১ ডিচেম্বৰ বা তাৰ পূৰ্বে ভাৰতলৈ অহা আফগানিস্তান, পাকিস্তান আৰু বাংলাদেশৰ হিন্দু, শিখ, জৈন, বৌদ্ধ, পাৰ্চী আৰু খ্ৰীষ্টান সম্প্ৰদায়ৰ সংখ্যালঘুসকলক নিৰাপদ আশ্ৰয় প্ৰদান কৰে। তেওঁ কয় যে নাগৰিকত্ব সংশোধনী আইন নাগৰিকত্ব প্ৰদানৰ বাবেহে, নাগৰিকত্ব কৰ্তনৰ বাবে নহয়।

নাগৰিকত্ব সংশোধনী আইনৰ ৰূপায়ণ সন্দৰ্ভত আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিদেশ মন্ত্ৰালয়ৰ বিবৃতি সম্পৰ্কে শ্ৰী জয়ছোৱালে কয় যে ভাৰতে এয়া ভুল আৰু অবাঞ্চিত বুলি গণ্য কৰে। তেওঁ কয় যে ভাৰতৰ সংবিধানে ইয়াৰ নাগৰিকসকলক ধৰ্মৰ স্বাধীনতাৰ নিশ্চয়তা প্ৰদান কৰে। সংখ্যালঘুৰ সৈতে ব্যৱহাৰৰ বিষয় লৈ উদ্বেগ প্ৰকাশ কৰাৰ কোনো থল নাই বুলি তেওঁ উল্লেখ কৰে। মুখপাত্ৰগৰাকীয়ে কয় যে একমাত্ৰ ভোটবেংকৰ ৰাজনীতিৰ বাবেই সংকটৰ সন্মুখীন হোৱা লোকক সহায়ৰ বাবে গ্ৰহণ কৰা কোনো প্ৰশংসনীয় পদক্ষেপক লৈ মতামত প্ৰকাশ কৰা উচিত নহয়। তেওঁ কয় যে ভাৰতৰ বহুত্ববাদী পৰম্পৰা আৰু দেশ বিভাজনৰ পাছত ইতিহাস সম্পৰ্কে সীমিত জ্ঞান থকাসকলে ইয়াক লৈ কোনোধৰণৰ মন্তব্য কৰা উচিত নহয়। যি অভিপ্ৰায়েৰে এই পদক্ষেপ লোৱা হৈছে তাৰ প্ৰশংসা হোৱা উচিত বুলি মুখপাত্ৰগৰাকীযে মন্তব্য কৰে।

ooooooo

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি কেৰালাৰ পথানামথিট্টা জিলাত লোকসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযান কাৰ্যসূচীত অংশগ্ৰহণ কৰে। এই উপলক্ষে শ্ৰী মোদীয়ে পথানামথিট্টা আৰু মৱেলীক্কাৰা লোকসভা সমষ্টিত এন ডি এ প্ৰাৰ্থীৰ হকে ১ লাখৰো অধিক দলীয় কৰ্মীৰ এখন বৈঠকক সম্বোধন কৰে। বৈঠকত প্ৰধানমন্ত্ৰীয়ে কয় যে বিজেপিয়ে আসন্ন লোকসভা নিৰ্বাচনত কেৰালাৰ পৰা একাধিক আসন লাভ কৰিব। ৰাজ্যখনৰ শাসকীয় কমিউনিষ্ট নেতৃত্বাধীন এল ডি এ আৰু কংগ্ৰেছ নেতৃত্বাধীন ইউ ডি এফক সমালোচনা কৰি শ্ৰী মোদীয়ে কয় যে ৰাজ্যখনৰ জনসাধাৰণ অসামৰ্থ আৰু দুৰ্নীতিগ্ৰস্ত চৰকাৰৰ বাবে জটিলতাৰ সন্মুখীন হৈছে। বৈঠকৰ অন্তত প্ৰধানমন্ত্ৰী ইতিমধ্যে তেলেংগানালৈ বুলি ৰাওনা হৈছে।

ooooooo

পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰী হৰদীপ সিং পুৰীয়ে আজি নতুন দিল্লীত ইথানল হাণ্ড্ৰেড নামৰ বৈকল্পিক অটো ইন্ধন মুকলি কৰে। শ্ৰী পুৰীয়ে কয় যে ইথানল হাণ্ড্ৰেডৰ দৰে সেউজ ইন্ধনৰ ওপৰত মোদী চৰকাৰে বিশেষ গুৰুত্ব আৰোপ কৰি আহিছে। এনে ইন্ধনে দেশৰ অৰ্থনৈতিক বিকাশ বৰ্তাই ৰখাত এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি মন্ত্ৰীগৰাকীয়ে কয়। এই বিকল্প ইন্ধনৰ ব্যৱহাৰৰ ফলত সেউজ গৃহ গেছৰ নিৰ্গমন কম হ'ব আৰু জলবায়ু পৰিৱৰ্তনৰ বিৰূপ প্ৰভাৱ হ্ৰাস কৰাৰ সহায়ক হ'ব। আগশাৰীৰ দুচকীয়া বাহন নিৰ্মাতাসকলে ইতিমধ্যে ইথানল হাণ্ড্ৰেড বাহনৰ পৰীক্ষণ আৰম্ভ কৰিছে। ইণ্ডিয়ান অইলে এটা পৰীক্ষামূলক উদ্যম হিচাপে উত্তৰ প্ৰদেশ, মহাৰাষ্ট্ৰ, কৰ্ণাটক, তামিলনাডু আৰু দিল্লীৰ ১৮৩ টা খুচুৰা বিপণী ইথানল হাণ্ড্ৰেডৰ বিক্ৰী আৰম্ভ কৰিব। কোম্পানীটোৱে পৰ্যায়ক্ৰমে এই ৰাজ্যসমূহৰ চাৰিশটা খুচুৰা বিপণীত এই ইন্ধন উপলভ্য কৰোৱাৰ পৰিকল্পনা কৰিছে।

ooooooo

কেন্দ্ৰীয় গ্ৰাহক পৰিক্ৰমা মন্ত্ৰী পীয়ুষ গোৱেলে আজি মুম্বাইত ৰাষ্ট্ৰীয় মান সময়ৰ সম্প্ৰসাৰণৰ বাবে ৰাষ্ট্ৰীয় সময় নিয়মাৱলী এন টি পি মুকলি কৰে। ইয়াৰ ফলত সঠিক মিলিছেকেণ্ডৰ সৈতে সঠিক সময়ৰ তথ্য লাভ কৰিব পৰা যাব আৰু ছাইবাৰ সুৰক্ষাও সুদৃঢ় হ'ব। জনসাধাৰণে time.nplindia.org অথবা time.nplindia.in ত গৈ এই তথ্য লাভ কৰিব পাৰিব। শ্ৰী গোৱেলে লগতে ভাৰ্চুৱেল ব্যৱস্থাৰে ফৰিদাবাদ আৰু আহমেদাবাদৰ আঞ্চলিক প্ৰসংগ মান পৰীক্ষাগাৰৰ timing infrastructure-ও মুকলি কৰে।

0000000

যোৱা মাহত দেশৰ মুঠ ৰপ্তানি বৃদ্ধি পাইছে। চলিত বৰ্ষৰ ফেব্ৰুৱাৰীত সামগ্ৰিক ৰপ্তানি ৭৩ দশমিক ৫৫ বিলিয়ন মাৰ্কিন ডলাৰ হৈছে এই পৰিমাণ যোৱা বছৰৰ একে সময়ছোৱাৰ তুলনাত ১৪ শতাংশ অধিক। এই সময়ছোৱাত ব্যৱসায়িক সামগ্ৰী ৰপ্তানি ৪১ দশমিক ৪ - ০ ডলাৰ হোৱাৰ বিপৰীতে সেৱাখণ্ডৰ ৰপ্তানি ৩২ দশমিক ১ - ৫ বিলিয়ন মাৰ্কিন ডলাৰ হয়। বাণিজ্য সচিব সুনীল বাৰ্থৱালে সংবাদ মাধ্যমৰ আগত কয় যে গোলকীয় অনিশ্চয়তাৰ মাজতে চলিত বৰ্ষৰ ফেব্ৰুৱাৰী মাহৰ বাবে ভাৰতৰ বৈদেশিক বাণিজ্যই বিগত ১১ মাহৰ ভিতৰত সৰ্বাধিক ৰপ্তানি বৃদ্ধিৰ গৌৰৱ অৰ্জন কৰিছে।

0000000

তৃণমূল কংগ্ৰেছৰ সাংসদ অৰ্জুন সিং আৰু দিব্যেন্দু অধিকাৰীয়ে আজি নতুন দিল্লীত বিজেপিত যোগদান কৰে। অৰ্জুন সিং বাৰাকপুৰ আৰু দিব্যেন্দু অধিকাৰী তামলুক সমষ্টিৰ সাংসদ। সাংসদ দুগৰাকীয়ে বিজেপিৰ সাধাৰণ সম্পাদক দুষ্মন্ত গৌতম আৰু অমিত মালব্যৰ উপস্থিতিত দলত যোগদান কৰে।

0000000

মণিপুৰৰ মুখ্যমন্ত্ৰী এন বীৰেণ সিঙে আজি ইম্ফলৰ পূব জিলাৰ আকামপাত নিৰ্মিত মিনি স্পৰ্টছ চৌহদ মুকলি কৰে। এই ক্ৰীড়া চৌহদটো মুঠ ২০ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰি উলিওৱা হৈছে। তেওঁ লগতে ইম্ফল পশ্চিম জিলাৰ চাজিঙত খেল' ইণ্ডিয়া আঁচনিৰ অধীনত ২ কোটি টকা ব্যয়সাপেক্ষ পকী গেলেৰী সহ এখন ফুটবল খেল পথাৰো উদ্বোধন কৰে।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী শ্ৰী সিঙে কয় যে চৰকাৰে মণিপুৰত কঠিন সময়তো উন্নয়নমূলক কাৰ্যকলাপৰ ধাৰবাহিকতা বজাই ৰাখিছিল। মুখ্যমন্ত্ৰীগৰাকীয়ে মিনি স্পৰ্টছ চৌহদ নিৰ্মাণ কৰাৰ বাবে যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ প্ৰশংসা কৰে।

0000000

আকাশবাণীৰ বাতৰি সেৱা বিভাগে পূৰ্ণকালীন চুক্তিভিত্তিত আকাশবাণীৰ আঞ্চলিক বাতৰি বিভাগৰ বাবে Editorial Executive-News Reader cum Translator পদৰ বাবে অভিজ্ঞতা সম্পন্ন প্ৰাৰ্থীৰ পৰা আবেদন পত্ৰ বিচাৰিছে। পদৰ সংখ্যা দুটা আৰু চুক্তিৰ প্ৰাৰম্ভিক ম্যাদ দুবছৰ। আবেদন পত্ৰ দাখিলৰ শেষ তাৰিখত প্ৰাৰ্থীৰ বয়স ৫৮ বছৰতকৈ কম হ'ব লাগিব। প্ৰতি মাহে দৰমহা নিৰিখ ৪০ হাজাৰৰ পৰা ৫০ হাজাৰ টকা। আৱশ্যকীয় অৰ্হতা - প্ৰাৰ্থী যিকোনো বিষয়ৰ স্নাতক হোৱাৰ লগতে কোনো বাতৰি সংস্থা বা প্ৰকাশন গোষ্ঠীত ৩ বছৰতকৈ অধিক কাম কৰাৰ অভিজ্ঞতা থাকিব লাগিব। বিতং তথ্যৰ বাবে ইচ্ছুক প্ৰাৰ্থীয়ে আমাৰ ৱেবছাইট newsonair.gov.in/vacancies চাব পাৰে। আবেদনপত্ৰ দাখিলৰ অন্তিম তাৰিখ ১৯ মাৰ্চ ধাৰ্য কৰা হৈছে।

000000

ভাৰতৰ লক্ষ্য সেনে আজি নিশা বাৰ্মিংহামত হ'বলগীয়া অল ইংলেণ্ড অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত মালয়েছিয়াৰ লি-জি-জিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। কমনৱেল্থ গেমছত সোণৰ পদক বিজেতা লক্ষ্য সেনে কালি বিশ্বৰ তিনি নম্বৰ স্থানৰ এণ্ডৰ্ছ এণ্টনছেনক ২৪-২২, ১১-২১, ২১-১৪ গেমত পৰাভূত কৰি কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰে।

0000000

ৰয়েল চেলেঞ্জাৰ্ছ বাংগালোৰ কিছু সময়ৰ পাছত দিল্লীৰ অৰুন জেটলি ষ্টেডিয়ামত হ'বলগীয়া মহিলাৰ প্ৰীমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ এলিমিনেটৰ খেলত মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখনত জয়লাভ কৰা দলটোৱে অহা ১৭ মাৰ্চত হ'বলগীয়া প্ৰতিযোগিতাৰ চূড়ান্ত খেলখনত ডেলহি কেপিটেলছৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা কৰিব।

ইয়াৰ পূৰ্বে যোৱা ১২ মাৰ্চত দল দুটাৰ মাজত অনুষ্ঠিত খেলখনত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালোৰে মুম্বাই ইণ্ডিয়ানছক ৭ উইকেটত পৰাভূত কৰিছিল।

0000000

সমাপ্ত